অধ্যায় ১৪ ঃ অসমত আঞ্চলিকতাবাদৰ বিকাশ ঃ আঞ্চলিক ৰাজনৈতিক দলৰ উত্থান— অসম গণ পৰিষদ (AGP) আৰু বড়োলেণ্ড পীপলচ্ প্ৰগ্ৰেছিভ ফ্ৰণ্ট (BPPF)

অধ্যায় গাঁথনি

14.1 উদ্দেশ্য

14.2 পৰিচয়

14.3 আঞ্চলিকতাবাদৰ পটভূমি

14.3.1 ভাৰতত আঞ্চলিকতাবাদৰ বিকাশ

14.3.2 অসমত আঞ্চলিকতাবাদ

14.4 অসমত আঞ্চলিক ৰাজনৈতিক দলৰ উত্থান

14.4.1 অসম গণ পৰিষদ (AGP)

14.4.2 বড়োলেণ্ড পীপলচ্ প্ৰগ্ৰেছিভ ফ্ৰণ্ট (বিপিপিএফ-BPPF)

14.5 অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

14.6 অধিক জানিবলৈ

14.7 অগ্ৰগতিৰ খতিয়ান

14.8 আৰ্হি প্ৰশ্ন

১৪.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- আঞ্চলিকতাবাদৰ বিকাশ আলোচনা কৰিব পাৰিব
- অসমত আঞ্চলিকতাবাদৰ প্ৰকৃতি আৰু বিকাশ ব্যাখ্যা কৰিব পাৰিব
- অসমত আঞ্চলিক ৰাজনৈতিক দলবোৰৰ উত্থান সম্পৰ্কে আলোচনা কৰিব পাৰিব
- অসমৰ ৰাজনীতিত অগপৰ গঠন, বিকাশ আৰু ভূমিকা বৰ্ণনা কৰিব পাৰিব
- বড়োলেণ্ড আৰু অসমৰ ৰাজনীতিত বিপিপিএফ-ৰ গঠন, বিকাশ আৰু ভূমিকা আলোচনা কৰিব পাৰিব।

১৪.২ পৰিচয়

ভাৰতৰ দৰে বৃহৎ দেশ এখনত আঞ্চলিকতাবাদক সকলো সময়তে উৎকণ্ঠা সৃষ্টিকাৰী পৰিঘটনা বুলি গণ্য কৰা নহয়। কাৰণ বেছিভাগ সময়তে আঞ্চলিক পৰিচয় আৰু প্ৰত্যাশা সুৰক্ষিত আৰু সংৰক্ষিত ৰখাৰ স্বাৰ্থত জন্ম লাভ কৰা বৈচিত্ৰ্যময় আঞ্চলিক আকাংক্ষাবোৰেই এটা সময়ত ৰাজনৈতিক কাৰ্য-কলাপৰ ৰূপ লয়। ভাৰতৰ দৰে বৈচিত্ৰ্যময় দেশ এখনৰ বাবে ই এক স্বাভাৱিক কথা। স্বাধীনোত্তৰ কালৰে পৰাই এই বিষয়বোৰৰ আধাৰত ভাৰতীয়সকলক ঐক্যৱদ্ধ কৰাৰ দাবী উত্থাপিত হৈ আহিছে। এই সকলো দাবীক ন্যায্যতা প্ৰদান কৰিবলৈ আঞ্চলিকতাবাদে কেন্দ্ৰীয় ভূমিকা লৈ আহিছে। অৰ্থাৎ— আঞ্চলিক পৰিচয় প্ৰতিষ্ঠা কৰাত আঞ্চলিক বৈচিত্ৰ্যই

বিভিন্ন প্রকাৰে গুৰুত্বপূর্ণ অৱদান আগবঢ়াই আহিছে।

ভাৰতত আঞ্চলিক ৰাজনীতি নতুন পৰিঘটনা নহয়। স্বাধীনতা আন্দোলন চলি থকা সময়ত আৰু স্বাধীনতাৰ পিছত আঞ্চলিক ৰাজনীতিয়ে কেন্দ্রীয় ভূমিকা লৈছিল। উদাহৰণস্বৰূপে অসমৰ ৰাইজে কেবিনেট মিছনৰ আঁচনিৰ বিৰুদ্ধে গৈ গ্রুপিং পদ্ধতিৰ তীব্র প্রতিবাদ কৰিছিল আৰু অঞ্চলটোৰ ৰাইজে মিছনৰ এনে বিভাজনৰ ৰাজনীতিৰ বিৰুদ্ধে মাৰ বান্ধি থিয় দিছিল। এই অধ্যায়টিৰ দ্বাৰা আপোনালোকক অসমত আঞ্চলিকতাবাদৰ বিকাশ সম্পর্কে বিশেষ উল্লেখৰ সহায়ত ভাৰতৰ দৰে সংযুক্ত চৰকাৰৰ ৰাজনৈতিক ব্যৱস্থা থকা দেশ এখনত আঞ্চলিকতাবাদৰ বিকাশৰ সৈতে পৰিচয় কৰাই দিয়া হ'ব। লগতে অসমত আঞ্চলিক ৰাজনৈতিক দলৰ উত্থান, অসম গণ পৰিষদ আৰু বড়োলেণ্ড পীপলচ্ প্রগ্রেছিফ ফ্রণ্টৰ গঠন আৰু বিকাশ আদি বিষয়ৰ আলোচনাকো অধ্যায়টিত সামৰি লোৱা হৈছে।

১৪.৩ আঞ্চলিকতাবাদৰ পটভূমি

এতিয়া আঞ্চলিকতাবাদৰ বিষয়টো বিতংভাৰে আলোচনা কৰো আহক।

১৪.৩.১ ভাৰতত আঞ্চলিকতাবাদৰ বিকাশ

1947 চনত ভাৰতে স্বাধীনতা লাভ কৰাৰ দিন ধৰি ভাৰতীয় ৰাজনীতিৰ সবাতোকৈ ক্ষমতাশালী শক্তি হিচাপে আঞ্চলিকতাবাদে সদায়েই গুৰুত্ব লাভ কৰি আহিছে। 1960ৰ দশকৰ পৰা আজিলৈকে ভাৰতৰ বিভিন্ন ৰাজ্যত শাসন ক্ষমতা লাভ কৰা বহুতো ৰাজনৈতিক দলৰে বুনিয়াদ হ'ল আঞ্চলিকতাবাদ। আঞ্চলিক ৰাজনৈতিক দলৰ বর্ধিত প্রভাৱৰ উদাহৰণ আছিল 1999 চনৰ পৰা 2004 চনলৈ ৰাষ্ট্রীয় পর্যায়ত দেশৰ শাসনভাৰ লোৱা ৰাষ্ট্রীয় গণতান্ত্রিক মিত্রজোঁটৰ (NDA) চৰকাৰ। ভাৰতীয় জনতা পার্টিয়ে (BJP) নেতৃত্ব দিয়া এই চৰকাৰখন আছিল বহুকেইটা আঞ্চলিক ৰাজনৈতিক দলৰ মিত্রজোঁট।

ভাৰতৰ ভাষিক, সাংস্কৃতিক, সাম্প্রদায়িক, জনগোষ্ঠীয়, ধর্মীয় আৰু আন বহুতো উপাদানৰ বৈচিত্র্যতাতে আঞ্চলিকতাবাদৰ ঘাইশিপা প্রোথিত হৈ আছে। প্রায়ে আঞ্চলিক বঞ্চনাৰ অনুভৱে আঞ্চলিকতাবাদ বৃদ্ধিত ইন্ধন যোগায় আহিছে। বৃটিছ ঔপনিৱেশিক শাসকসকলে ভাৰতৰ অঞ্চলবোৰক বহলভিত্তিত দুটা ভাগত ভগাইছিল। এই ভাগ দুটা হ'ল— প্রত্যক্ষভাৱে শাসিত প্রদেশ আৰু বিভিন্ন আকাৰ, ধর্ম, জনগোষ্ঠী আৰু ভাষাৰ ভিত্তিত গঠিত প্রায় 560 খন ৰাজশাসিত ৰাজ্য বা princely states (পৰোক্ষভাৱে শাসিত)। এই কাৰকবোৰে ভাৰতৰ আঞ্চলিকতাবাদক আৰু অধিক জটিল কৰি তুলিছিল। ভাৰতত আঞ্চলিকতাবাদ অথবা কোনো এক নির্দিষ্ট অঞ্চলৰ প্রতি চৰম আনুগত্যৰ ভাব বিভিন্ন পন্থা আৰু ৰূপেৰে প্রকাশিত হৈ আহিছে। আঞ্চলিকতাবাদৰ সৈতে বঞ্চনাৰ কথা সাঙোৰ খাই থাকে। এই বঞ্চনাৰ অনুভৱ সৃষ্টি হয় দীর্ঘদিনীয়া অৱহেলা আৰু অনুন্নয়ন, আৰু সম্পদৰ অসমান বিতৰণৰ বাবে।

১৪.৩.২ অসমত আঞ্চলিকতাবাদ

এই কথা অস্বীকাৰ কৰিব নোৱাৰি যে অসমত জাতীয়তাবাদৰ উত্থান ঘটাৰ সদায়ে যথেষ্ট অৱকাশ আছিল। বৃটিছ শাসনৰ সময়ত আৰু ইয়াৰ পৰৱর্তী কালত অসমত আঞ্চলিকতাবাদে গা কৰি উঠাৰ মূল কাৰণ আছিল যে সমগ্র ইতিহাসজুৰি অসম আছিল এখন কেন্দ্রৰ পৰা দূৰত অৱস্থিত

অঞ্চল। অসমক ঔপনিৱেশিক আৰু স্বাধীন উভয় শাসকেই দূৰৰ পৰা নিয়ন্ত্রণ কৰাৰ চেষ্টা চলাই আহিছে। স্বাধীনতাৰ পিছত অসমৰ অঞ্চলকেন্দ্রিক অসন্তুষ্টি আৰু ক্ষোভসমূহৰ বেছিভাগেই চৰকাৰৰ মনোযোগ আকর্ষণ কৰিব নোৱাৰিলে। ইয়াৰ পৰিণতিতে গণ আন্দোলনবোৰৰ সূত্রপাত হ'ল। অর্থনৈতিক ক্ষেত্রৰ বিভিন্ন দিশত ৰাজ্যিক আৰু ৰাষ্ট্রীয় স্তৰত থকা বৈষম্যতাই এসময়ত অসমীয়াসকলক অসন্তুষ্ট কৰি তুলিলে। অবৈধ বিদেশী নাগৰিকৰ সমস্যাটোৱে এটা সময়ত এক আবেগিক আৰু গণ আন্দোলনৰ মাত্রা লাভ কৰিলে। ইয়াৰ ফলতে ৰাজ্যখনৰ পৰা অবৈধ বিদেশী নাগৰিকক বহিষ্কাৰ কৰা 'অসম আন্দোলন'ৰ সূত্রপাত ঘটিছিল। এই আন্দোলন ছবছৰ কাল চলিছিল [1979–1985]। এই আন্দোলনৰ পিছত অসম গণ পৰিষদৰ গঠন, 1985 চনত অসম গণ পৰিষদৰ শাসন ক্ষমতা লাভ কৰা আৰু আন বহুতো এনে ঘটনাৰ পৰা অসমত আঞ্চলিকতাবাদৰ অস্তিত্ব প্রমাণিত হয়।

অসম আন্দোলনৰ সময়ছোৱাত আঞ্চলিকতাবাদে ভিন্ন ৰূপ ধাৰণ কৰিলে তথা 'নৃগোষ্ঠীয়' ধাৰণাটোৰ লগত সম্পৃক্ত হৈ পৰে। নৃগোষ্ঠীয়তা আঞ্চলিকতাবাদৰ এটা গুৰুত্বপূর্ণ উপাদান। নৃগোষ্ঠীয়তা বুলিলে এটা জাতি বা সম্প্রদায়ক বুজা যায় যি এক উমৈহতীয়া সাংস্কৃতিক পৰম্পৰা আৰু ঐতিহ্যৰ দ্বাৰা পৰিচালিত হয়। যি গোটসমূহে ব্যাপক অর্থত অসমীয়া জাতীয় পৰিচয় আৰু সংস্কৃতিৰ সুৰক্ষা আৰু ৰক্ষণাবেক্ষণৰ বাবে গণতান্ত্রিক যুঁজত অৱতীর্ণ হৈছিল, তেওঁলোকৰ এইটো বিশ্বাস আছিল যে দেশৰ বা ভাৰতীয় যুক্তৰাষ্ট্রীয় সাংবিধানিক ব্যৱস্থাৰ ভিতৰতে তেওঁলোকৰ আশা-আকাংক্ষাসমূহ পূৰণ কৰাৰ সামর্থ আছে। তেওঁলোকে ৰাজ্যখনৰ বাবে অধিক স্বায়ত্ব শাসনৰ দাবী জনাইছিল। অন্যহাতেদি ৰাজনীতিক পৰিমণ্ডলৰ সিটো পাৰে বিভিন্ন সন্ত্রাসবাদী গোটে মূৰ দাঙি উঠিছিল, যিয়ে অসমবাসীৰ বাবে এখন পৃথক ৰাষ্ট্র বিচাৰিছিল। সংযুক্ত মুক্তি বাহিনী, অসমে (ULFA) ভাৰতৰ পৰা সম্পূর্ণৰূপে অসমখনক বিচ্ছিন্ন কৰাৰ পোষকতা কৰিছিল আৰু তেওঁলোকে আত্মগোপন কৰিলে। 1985 চনত 'অসম চুক্তি' স্বাক্ষৰিত হোৱা সময়লৈকে অসমৰ সামাজিক আৰু ৰাজনৈতিক পৰিবেশ-পৰিস্থিতি অশান্ত হৈ থাকিল।

1979ৰ পৰা 1985লৈ অসমত ৰাজনৈতিক অস্থিৰতা বিৰাজ কৰিছিল। ৰাষ্ট্রপতি শাসন বলবৎ, দীর্ঘদিনৰ বাবে ৰাষ্ট্রপতি শাসন প্রৱর্তন, হিংসা, আন্দোলন, সঘনাই হোৱা ধর্মঘট, আইন অমান্য অভিযান আদিয়ে সুদীর্ঘ সময়ৰ বাবে সাধাৰণ জীৱন ব্যাহত কৰিছিল। কেন্দ্রীয় চৰকাৰে 1983 চনত সাংবিধানিক আজ্ঞাপত্রৰ জৰিয়তে নির্বাচন অনুষ্ঠিত কৰাৰ চেষ্টা কৰিছিল।

অৱশেষত 1985 চনৰ 15 আগষ্টত ৰাজীৱ গান্ধী চৰকাৰে অসম আন্দোলনৰ নেতাসকলৰ লগত অসম চুক্তি স্বাক্ষৰিত কৰিছিল। চুক্তিত এই কথাত সন্মতি প্রকাশ কৰা হৈছিল যে 25 মার্চ, 1971 চনৰ পিছত অসমত প্রৱেশ কৰা সকলো বিদেশীকে চিনাক্ত কৰি দেশান্তৰ কৰা হ'ব। অসম চুক্তিৰ অধীনত ৰাজ্যখনৰ উন্নয়নৰ বাবে সমান্তৰালভাৱে অর্থনৈতিক অনুদান (economic package)ৰ ব্যৱস্থা কৰা হৈছিল। লগতে চুক্তিত অসমত দ্বিতীয়টো তেল শোধনাগাৰ স্থাপন, এটা কাগজকল স্থাপন আৰু এখন প্রযুক্তি প্রতিষ্ঠান স্থাপনৰ পৰিকল্পনাও কৰা হৈছিল। কেন্দ্রীয় চৰকাৰে এইবোৰৰ উপৰি অসমীয়া মানুহৰ 'সাংস্কৃতিক, সামাজিক, ভাষিক পৰিচয় আৰু ঐতিহ্য সুৰক্ষিত ৰাখিবলৈ বিধানসংগত আৰু প্রশাসনিক সুৰক্ষা' প্রদান কৰা হ'ব বুলিও প্রতিশ্রুতি দিছিল। 1985 চনৰ ডিচেম্বৰ মাহত বিধান সভা ভংগ কৰি নতুন নির্বাচন পতা হৈছিল। বিদেশী খেদা আন্দোলনৰ নেতাসকলৰ দ্বাৰা গঠিত অসম গণ পৰিষদ দলে (AGP) এই নির্বাচনত বিজয়ী হৈছিল।

W অগ্রগতি নিৰীক্ষণ

প্রশ্ন ১ ঃ ৰাষ্ট্রীয় পর্যায়ত দেশৰ শাসনভাৰ লোৱা এনে এক চৰকাৰৰ নাম উল্লেখ কৰক যি আঞ্চলিক ৰাজনৈতিক দলৰ বর্ধিত প্রভাৱৰ এক উদাহৰণ প্রতিফলিত কৰে।

.....

প্রশ্ন ২ ঃ ..... চনত অসম আন্দোলন আৰম্ভ হৈছিল। (খালী ঠাই পূৰ কৰক)

প্রশ্ন ৩ ঃ অসম চুক্তি কোন চনত স্বাক্ষৰিত হৈছিল?

.....

প্রশ্ন ৪ ঃ অসম চুক্তিৰ অধীনত এক কথাত সন্মতি প্রকাশ কৰা হৈছিল যে 25 মার্চ 1971 চনৰ পিছত প্রবেশ কৰা সকলো বিদেশীক দেশান্তৰ কৰা হ'ব। (শুদ্ধ/অশুদ্ধ)

.....

১৪.৪ অসমত আঞ্চলিক ৰাজনৈতিক দলৰ উত্থান

বিগত দুটা দশকত আঞ্চলিক দলবোৰৰ উত্থানে কেৱল ৰাজ্যৰ ৰাজনীতিকেই প্রভাৱিত কৰা নাই, ই ৰাষ্ট্রীয় দল তথা ৰাষ্ট্রীয় নীতিতো প্রভাৱ পেলাবলৈ সক্ষম হৈছে। নির্বাচনত অভিলেখকাৰী সমর্থন লাভ কৰি এনে দলবোৰে জয়লাভ কৰাৰ লগতে বহুতো ৰাজ্যত চৰকাৰ গঠন কৰিছে আৰু ৰাষ্ট্রীয় ৰাজনীতিক প্রভাৱিত কৰিছে। অসমতো অসম আন্দোলনৰ পিছত বহুকেইটা আঞ্চলিক ৰাজনৈতিক দলৰ উত্থান হৈছে। অসম গণ পৰিষদ (AGP), সদৌ ভাৰতীয় সংযুক্ত গণতান্ত্রিক মর্চা (AIUDF) বড়োলেণ্ড পীপলচ্ প্রগ্রেছিভ ফ্রণ্ট (BPF) হ'ল অসমৰ এনে দুটামান উল্লেখযোগ্য দল।

১৪.৪.১ অসম গণ পৰিষদ

সদৌ অসম ছাত্র সন্থা (আছু/AASU) আৰু সদৌ অসম গণ সংগ্রাম পৰিষদ (AAGSP)ৰ নেতৃত্বত গঢ় লৈ উঠা ছবছৰীয়া অসম আন্দোলনৰ ফলশ্রুতিত অসম গণ পৰিষদৰ (AGP) জন্ম হৈছিল। অসমীয়া ৰাইজৰ দাবী আছিল বিশেষকৈ বাংলাদেশ (অতীতৰ পূব পাকিস্তান)ৰ পৰা অবৈধ উপায়েৰে সীমা পাৰ হৈ অসমত প্রৱেশ কৰাসকলৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্রহণ কৰা। কাৰণ এই অবৈধ অনুপ্রৱেশকাৰীয়ে বিশাল বিশাল অঞ্চল দখল কৰাৰ ফলত ৰাজ্যখনৰ থলুৱা বাসিন্দাৰ অর্থনৈতিক, ৰাজনৈতিক, সামাজিক আৰু সাংস্কৃতিক অস্তিত্ব বিপদাপন্ন হৈ পৰিছিল। 1978 চনত মঙ্গলদৈ লোকসভা সমষ্টিৰ সাংসদ হীৰালাল পাটোৱাৰীৰ মৃত্যুৰ পিছত যেতিয়া সমষ্টিটোত পুনৰ নির্বাচনৰ আগে আগে ভোটাৰ তালিকাৰ পুনৰীক্ষণ কৰা হৈছিল তেতিয়া সমগ্র অসমৰ আগত এই সত্য উন্মোচিত হৈছিল যে তালিকাত লাখ লাখ অবৈধ অনুপ্রৱেশকাৰীৰ নাম অর্ন্তভুক্ত হৈছে। লগে লগে প্রফুল্ল কুমাৰ মহন্ত (সভাপতি) আৰু প্রয়াত ভৃগু কুমাৰ ফুকনৰ (সম্পাদক) নেতৃত্বাধীন সদৌ অসম ছাত্র সন্থাই এই অনুপ্রৱেশকাৰীসকলৰ বিৰুদ্ধে তাৎক্ষণিক ব্যৱস্থা গ্রহণৰ দাবী কৰিলে। মঙ্গলদৈ লোকসভা সমষ্টিৰ উপ-নির্বাচন স্থগিত ৰখাৰ দাবীত আছুৱে আৰম্ভ কৰা আন্দোলনলৈ অসমৰ ৰাইজে সমর্থন জনালে। আছুৱে সমান্তৰালভাৱে উত্থাপন কৰা আন দাবীবোৰ আছিল বিদেশী প্রব্রজনকাৰী চিনাক্ত কৰিবলৈ ৰাজ্যখনৰ সকলো সমষ্টিৰে ভোটাৰ তালিকাৰ পুনৰীক্ষণ কৰা, চিনাক্ত কৰা বিদেশীৰ

নাম তালিকাৰ পৰা বাদ দিয়া আৰু তেওঁলোকক নিজ দেশলৈ ঘূৰাই পঠোৱা। অসমবাসীয়ে আছুৰ দাবীসমূহক সম্পূর্ণ সমর্থন জনোৱাৰ পৰিপ্রেক্ষিতত ছাত্র আন্দোলনটোৱে এক গণ আন্দোলনৰ ৰূপ ল'লে। 1979 চনৰ পৰা চলা এই আন্দোলন অসম আন্দোলন নামেৰে বিখ্যাত হৈপৰিল। অসম সাহিত্য সভা, পূর্বাঞ্চলীয় লোক পৰিষদ (PLP), অসম জাতীয়তাবাদী দল (AJD), সদৌ অসম কর্মচাৰী পৰিষদ, অসম জাতীয়তাবাদী যুৱ-ছাত্র পৰিষদ, অসম যুৱক সমাজ, সদৌ অসম কেন্দ্রীয় আৰু অর্ধ-কেন্দ্রীয় কর্মচাৰী সংস্থা আদিৰ দৰে বিভিন্ন দল-সংগঠনে আছুৰ প্রতি সমর্থন জনালে। ইয়াৰ পিছতেই আন্দোলনটোক নেতৃত্ব দিবলৈ সদৌ অসম গণ সংগ্রাম পৰিষদ (AAGSP) গঠন কৰা হৈছিল। প্রায় ছবছৰ ধৰি চলা এই আন্দোলনত কেইবা শতাধিক দলীয় কর্মীয়ে প্রাণ আহুতি দিছিল। কেন্দ্রীয় চৰকাৰ আলোচনাত বহিবলৈ বাধ্য হৈছিল। সমস্যাটোৰ সমাধান উলিয়াবলৈ কেন্দ্রীয় চৰকাৰ, আছু আৰু গণ সংগ্রাম পৰিষদৰ নেতৃবর্গৰ সৈতে আলোচনাত বহিছিল। অসমৰ নেতাসকলৰ সৈতে পৰৱর্তী কেন্দ্রীয় চৰকাৰখনেও বহুকেইলানি আলোচনা চলাইছিল। এই আলোচনাৰ পৰিণামত তেতিয়াৰ প্রধানমন্ত্রী ৰাজীৱ গান্ধীৰ উপস্থিতিত কেন্দ্রীয় চৰকাৰ আৰু আছু তথা গণ সংগ্রাম পৰিষদৰ নেতাসকলে 1980 চনৰ 15 আগষ্টত অসম চুক্তিত চহী কৰিছিল। অসম চুক্তি অনুসৰি ৰাজ্যখনৰ বিধান সভা ভংগ কৰি দিয়া হৈছিল। লগে লগে অসমত গণতান্ত্রিক নির্বাচনৰ পথ প্রশস্ত হৈ পৰিছিল। 1985 চনৰ 13–14 অক্টোবৰত আছুৱে গোলাঘাটত এখন জাতীয় সন্মিলন অনুষ্ঠিত কৰিছিল। এই সন্মিলনতে অসম গণ পৰিষদ নামৰ আঞ্চলিক ৰাজনৈতিক দল এটা গঠনৰ সিদ্ধান্ত লোৱা হৈছিল। 1985 চনৰ 14 অক্টোবৰৰ দিনা আনুষ্ঠানিকভাৱে গোলাঘাটতেই অগপই জন্মলাভ কৰিছিল। ইয়াৰ কিছুদিন আগতে 1980 চনৰ ছেপ্টেম্বৰ মাহত লখিমপুৰত অনুষ্ঠিত হোৱা এখন বৈঠকত আছুৰ প্রফুল্ল কুমাৰ মহন্ত আৰু প্রয়াত ভৃগু কুমাৰ ফুকনৰ নেতৃত্বাধীন কেন্দ্রীয় কার্যনির্বাহক কমিটিখনে পদত্যাগ কৰি নতুন নেতাৰ হাতত আছুৰ দলীয় বিষয়বাব অর্পণ কৰিছিল। অগপৰ প্রথম সভাপতিৰূপে প্রফুল্ল কুমাৰ মহন্তই আৰু এজন সাধাৰণ সম্পাদকৰূপে প্রয়াত ভৃগু কুমাৰ ফুকনে দায়িত্বভাৰ গ্রহণ কৰিছিল। ছবছৰীয়া অসম আন্দোলনে এইদৰেই ৰাজ্যৰ প্রথমটো বাটকটীয়া আঞ্চলিক ৰাজনৈতিক দলৰ উত্থানৰ কাৰক হিচাপে কাম কৰিছিল। 1980 চনৰ ডিচেম্বৰ মাহত অনুষ্ঠিত হোৱা নির্বাচনত অগপই মুঠ 126 খন আসনৰ 67 খনতেই জয়লাভ কৰিছিল। ইয়াৰ উপৰি দলটোৱে 14 খন লোকসভা আসনৰ 7 খনত জয়লাভ কৰিছিল। প্রফুল্ল কুমাৰ মহন্ত মাত্র বত্রিশ বছৰ বয়সতে মুখ্যমন্ত্রী হৈ স্বাধীন ভাৰতৰ সর্বকালৰ কনিষ্ঠ মুখ্যমন্ত্রী হিচাপে পৰিগণিত হৈছিল। জন্মৰ মাত্র দুমাহৰ পিছতে অগপ দল চৰকাৰ গঠন কৰিবলৈ সমর্থ হোৱাৰ অন্তৰালত বহুতো কাৰণ আছে।

- দলে এটা ৰাষ্ট্রীয় সমস্যা, অসমৰ পৰা বিদেশী বিতাড়নক ভিত্তি কৰি নির্বাচনী যুঁজখনত অৱতীর্ণ হৈছিল। এই গুৰুত্বপূর্ণ বিষয়টোৱে দলক জনসাধাৰণৰ প্রৱল সমর্থন লাভ কৰাত সহায় কৰে।
- জনসাধাৰণৰ অফুৰন্ত সমর্থন লাভ কৰিবলৈ সমর্থ হোৱা অসম আন্দোলনৰ নেতাসকলক লৈ গঠিত হোৱাৰ বাবে অগপৰ প্রার্থীসকলেও জনসাধাৰণৰ সহানুভূতিসূচক সমর্থন লাভ কৰিবলৈ সক্ষম হয়।
- ছাত্রসকলৰ সমর্থনো অগপৰ কৃতকার্যতাৰ অন্যতম কাৰণ।
- সেই সময়ত অসমত ভৈয়াম জনজাতি পৰিষদ, অসম (Plains Tribal Council of Assam-PTCA) আৰু সংযুক্ত সংখ্যালঘু মর্চা (United Minorities Front-UMF) নিচিনা কিছুমান আঞ্চলিক দলো আছিল যদিও সেই দলসমূহৰ সমর্থকৰ পৰিসৰ সীমিত হোৱাৰ বাবে তুলনামূলকভাৱে

অগপতকৈ তেওঁলোকে কম সমর্থন লাভ কৰিছিল।

ওপৰত উল্লেখ কৰা সমূহ কাৰণে অগপৰ কৃতকার্যতা পথাৰখন সাৱঁৰা কৰি তুলিছিল। কিন্তু অগপই অসম চুক্তিত থকা অবৈধ অনুপ্ৰৱেশকাৰী চিনাক্ত আৰু বহিষ্কাৰ কৰা কামটো সফলভাৱে কার্যকৰী কৰিব পৰা নাছিল। ইয়াৰ এক অন্যতম কাৰণ হৈছিল সংসদে গৃহীত কৰা অবৈধ প্ৰব্ৰজনকাৰী (ট্ৰাইব্যুনেলৰ দ্বাৰা নির্ধাৰণ) আইনে (IMDT Act) অবৈধ বিদেশী চিনাক্ত কৰা প্ৰক্ৰিয়াটো অধিক জটিল কৰি তুলিছিল। তদুপৰি অসমত আইন-শৃংখলা পৰিস্থিতিৰ অৱনতি ঘটে। অৱশেষত 1990 চনত অগপ চৰকাৰখন বর্খাস্ত কৰি ৰাজ্যত ৰাষ্ট্ৰপতি শাসন বলবৎ কৰা হ'ল। পৰৱর্তী বিধান সভাৰ নির্বাচনত অগপই ক্ষমতা ধৰি ৰাখিব নোৱাৰিলে। 1991 চনৰ মার্চ মাহত নেতৃত্বৰ মাজত দেখা দিয়া সংঘাতে দলৰ বিভাজন নিশ্চিত কৰি তোলে। ইয়াৰ ফলত ভৃগু কুমাৰ ফুকন, দীনেশ গোস্বামী, পুলকেশ বৰুৱা আদি নেতাসকলে দলৰ পৰা ওলাই গৈ 'নতুন অসম গণ পৰিষদ' নামৰ দলৰ জন্ম দিয়ে। অৱশ্যে শীঘ্ৰেই নতুনকৈ জন্ম হোৱা 'নতুন অসম গণ পৰিষদ' আৰু অগপৰ মাজৰ মনোমালিন্যৰ অৱসান ঘটিল আৰু 1992 চনত দুয়োটা দল একত্ৰিত হ'ল। কিন্তু 2000 চনত পুনৰ দলটো বিভাজনৰ সন্মুখীন হয়। 'তৃণমূল গণ পৰিষদ'ৰ সৃষ্টি কৰি অতুল বৰাই এক বিভাজন আনে। 2005 চনত অগপ আন এটা সংকটৰ মুখামুখি হয়, দলৰ অন্যতম মুখ্য সদস্য প্ৰাক্তন মুখ্যমন্ত্ৰী প্ৰফুল্ল কুমাৰ মহন্তক দলৰ পৰা বহিষ্কাৰ কৰা হয়। মহন্তই 'প্ৰগতিশীল অসম গণ পৰিষদ' নামৰ এটা নতুন দলৰ জন্ম দিয়ে। মুমূর্ষ অগপ দলৰ প্ৰাণ সজ্জীৱিত কৰাৰ উদ্দেশ্যে 2008 চনৰ 14 অক্টোবৰৰ দিনা প্ৰগতিশীল অসম গণ পৰিষদ দলে অসম গণ পৰিষদৰ লগত পুনৰ লগ লাগে। অগপৰ মুখ্য কার্যালয় গুৱাহাটীৰ আমবাৰীত অৱস্থিত। ২০১৬ চনত অনুস্থিত হোৱা অসম বিধান সভাৰ নির্বাচনত অগপ ই ১৪ খন আসনত জয় লাভ কৰিছিল।

১৪.৪.২ বড়োলেণ্ড পীপলচ্ প্ৰগ্ৰেছিভ ফ্ৰণ্ট (বিপিপিএফ-BPPF)

বড়োলেণ্ড পীপলচ্ প্ৰগ্ৰেছিভ ফ্ৰণ্টৰ (BPPF) বিষয়ে আলোচনা কৰাৰ আগতে দলটোৰ উত্থানৰ পটভূমিৰ বিষয়ে কিছু কথা জানি থওঁ আহক।

আমি ইয়াৰ আগৰ অধ্যায়ত আলোচনা কৰিছো যে বড়োভূমি আন্দোলনৰ পৰিসমাপ্তিত 2003 চনৰ 10 ফেব্ৰুৱাৰী তাৰিখে বড়ো লিবাৰেশ্যন টাইগার্ছ ফ'র্চ (BLTF)ৰ সৈতে এখন নিষ্পত্তিৰ সন্ধিপত্ৰ অথবা বড়ো চুক্তি স্বাক্ষৰিত হৈছিল। দলটোৰ সৈতে কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰেও এই চুক্তিত স্বাক্ষৰ কৰিছিল। এই চুক্তি অনুসৰি অসম ৰাজ্যৰ চাৰিসীমাৰ ভিতৰতে বড়োভূমি ক্ষেত্ৰীয় পৰিষদ (Bodoland Territorial Council) নামৰ এক স্বায়ত্ব শাসিত প্ৰশাসনীয় গাঁথনি সৃষ্টি কৰা হৈছিল। উক্ত স্বায়ত্ব শাসিত গাঁথনিটোক ভাৰতীয় সংবিধানৰ ষষ্ঠ অনুচ্ছেদৰ অধীনত সাংবিধানিক সুৰক্ষা প্ৰদান কৰা হৈছিল।

2003 চনৰ বড়ো চুক্তি অনুসৰি বড়ো আন্দোলনৰ নেতাসকলে এইটো নিশ্চিত কৰিব লাগিছিল যে তেওঁলোকৰ সমর্থকসকলে অস্ত্ৰ-শস্ত্ৰ, গুলী-বাৰুদ আদি জমা দিব লগতে আত্মগোপন কৰি থকা আন্দোলনকাৰীসকল ৰাষ্ট্ৰীয় ঘাইসুঁতিলৈ ঘূৰি আহিব। সকলো আনুষ্ঠানিকতা সম্পূর্ণ হোৱাৰ পিছত দেশে সবাতোকৈ বিশাল উগ্রপন্থী আত্মসমর্পণ অনুষ্ঠানটো প্রত্যক্ষ কৰিছিল। 2003 চনৰ 6 ডিচেম্বৰ তাৰিখে দুহেজাৰতকৈও অধিক বড়ো লিবাৰেশ্যন টাইগার্ছ (BLT) উগ্রপন্থীয়ে বিভিন্ন অত্যাধুনিক মৰণাস্ত্রসহ আত্মসমর্পণ কৰি চিৰদিনৰ বাবে হিংসাৰ পথ পৰিহাৰ কৰিছিল। BLT নেতাসকলে সদৌ

বড়ো ছাত্র সন্থাৰ (আবছু/ABSU) নেতাসকলৰ সৈতে মিলি বড়ো পীপলচ্ প্রগ্রেছিভ ফ্রণ্ট (বিপিপিএফ-BPPF) নামৰ ৰাজনৈতিক দলটো গঠন কৰিছিল। কিন্তু বড়োভূমি ক্ষেত্রীয় পৰিষদ (Bodoland Territorial Council বা BTC)ৰ নির্বাচনৰ প্রাক্-মুহূর্তত BPPF দলত ভাঙোনৰ সৃষ্টি হৈছিল। ইয়াৰ পৰিণামস্বৰূপে BPPF দলত দুটা গোটৰ সৃষ্টি হৈছিল— BPPF (হাগ্রামা) আৰু BPPF (ৰবিৰাম) গোট। BPPF (হাগ্রামা) গোটৰ নেতৃত্ব দিছিল অধুনালুপ্ত BLTF সংগঠনৰ মুৰব্বী আৰু BTC-ৰ মধ্যৱর্তী পৰিষদখনৰ মুখ্য কার্যবাহী সদস্য হাগ্রামা মহিলাৰীয়ে। BPPF (ৰবিৰাম) গোটৰ নেতৃত্ব দিছিল প্রাক্তন আবছু সভাপতি ৰবিৰাম নার্জাৰীয়ে। ইয়াৰ পিছত BTC নির্বাচনত BPPF (হাগ্রামা) গোটে জয়লাভ কৰিছিল। এই গোটটোৱে পিছলৈ দলৰ নাম সলনি কৰি বড়োলেণ্ড পীপলচ্ ফ্রণ্ট (BPF) নামেৰে পৰিচিত হয়। অৱশ্যে BPPF (ৰবিৰাম) গোটে এখনো আসনত জয়লাভ কৰিব সক্ষম নহ'ল।

2006 চনৰ এপ্রিলত অনুষ্ঠিত হোৱা অসম বিধান সভা নির্বাচনত BPPF (হাগ্রামা)য়ে কংগ্রেছ দলৰ সৈতে মিত্রতা স্থাপন কৰে আৰু 11 খন আসনত জয়লাভ কৰে আৰু এইদৰে অসমত কংগ্রেছ দলে গঠন কৰা সংযুক্ত চৰকাৰৰ এক মিত্র দল হিচাপে পৰিগণিত হয়। 2009 চনৰ পঞ্চদশতম সাধাৰণ নির্বাচনত কোকৰাঝাৰ সমষ্টিৰ পৰা BPF-ৰ প্রার্থী চানচুমা খুংগুৰ বসুমতাৰী বিজয়ী হৈছিল। 2008 চনৰ মে' মাহত অনুষ্ঠিত হোৱা ৰাজ্যসভা নির্বাচনত BPF-ৰ বিশ্বজিৎ দৈমাৰী বিজয়ী হৈছিল। দলটোৱে অসমত কংগ্রেছ দলৰ সহযোগী হিচাপে কাম কৰিছিল। 2011 চনৰ অসম বিধানসভা নির্বাচনত BPF-এ 12 খন আসন লাভ কৰিছিল। বড়োভূমি ক্ষেত্রীয় পৰিষদ এলেকাধীন জিলাবোৰৰ উন্নয়নৰ লগত জড়িত কিছুমান বিষয়ত গঢ় লৈ উঠা অসন্তুষ্টিৰ বাবে BPF-এ কংগ্রেছৰ সৈতে 13 বছৰীয়া মিত্রতা ভংগ কৰিছিল। ৰাজ্য চৰকাৰৰ সৈতে মিত্রতা ভংগ কৰা আগলৈকে, BPF-ৰ মাত্র এগৰাকী সদস্য চন্দন ব্রহ্মইহে ৰাজ্য চৰকাৰৰ মন্ত্রীসভাৰ পৰিবহন, পর্যটন, ভৈয়াম জনজাতিৰ কল্যাণ আৰু বড়োভূমি ক্ষেত্রী পৰিষদ অঞ্চলৰ জিলাবোৰৰ পিছপৰা সম্প্রদায়ৰ কল্যাণ বিভাগসমূহৰ মন্ত্রী হৈ আছিল। ২০১৬ চনত অনুস্থিত হোৱা অসম বিধান সভা নির্বাচনত বি পি এফ দলে ১২ খন আসনত জয়যুক্ত হৈছিল আৰু অসমৰ সংযুক্ত চৰকাৰৰ অংশীদাৰ হৈছিল।

হাগ্রামা মহিলাৰীৰ নেতৃত্বাধীন বড়োলেণ্ড পিপলচ্ ফ্র'ণ্ট (BPF) আৰু প্রমোদ বড়োৰ নেতৃত্বাধীন ইউনাইটেড পিপলচ্ পার্টি লিবাৰেল (UPPL) ৰ মাজত ক্ষমতা লাভৰ বাবে চলি থকা আঁৰিয়া আঁৰি হ'ল সাম্প্রতিক সময়ৰ বড়োলেণ্ড স্বায়ত্বশাসিত অঞ্চল (BTR) ৰ ৰাজনৈতিক পৰিস্থিতিৰ বিশেষত্ব। ২০২১ চনৰ অসম বিধানসভা নির্বাচনত এই দল দুটাই পৰস্পৰৰ সৈতে তীব্র প্রতিদ্বন্দ্বিতাত নামিছিল। BPF দলে ইয়াৰ ভাৰতীয় জনতা পার্টিৰ সৈতে থকা দীর্ঘদিনীয়া মিত্রতা ত্যাগ কৰি কংগ্রেছ দলৰ নেতৃত্বত গঠন হোৱা 'মহাজোঁট'ত যোগ দিছিল। আনহাতে, UPPL দলে ভাৰতীয় জনতা পার্টিৰ নেতৃতবঞ্জত গঠন হোৱা 'মিত্রজোঁট' (NDA) ৰ সৈতে হাত মিলাইছিল। সেইবোৰৰ নির্বাচনৰ ফলাফলে BPF-ৰ তাৎপর্যপূর্ণ ক্ষতি কৰিছিল। UPPL- এ ৬ খন আসনত বিজয় সাব্যস্ত কৰাৰ বিপৰীতে BPF দলে মাত্র ৪ খন আসনতহে বিজয়ী হৈছিল। নির্বাচনৰ ফলাফলে UPPL-ক শাসনাধীস্থ ৰাজ্য চৰকাৰৰ এক প্রধান সহযোগী দলত পৰিণত কৰিছিল। এই সফলতাই দলটোৰ বাবে চলিত দশকৰ প্রথমার্দ্ধত BTR-ত প্রভাৱ সুদৃঢ় কৰাৰ পথ প্রশস্ত কৰি তুলিছিল।

কিন্তু ২০২৫ চনৰ চেপ্টেম্বৰ মাহত অনুষ্ঠিত বড়োলেণ্ড স্বায়ত্বশাসিত পৰিষদ (BTC) ৰ নির্বাচনত অঞ্চলটোৰ ক্ষমতাৰ গাঁথনিটোলৈ নাটকীয় পৰিৱর্তন অহা পৰিলক্ষিত হ'ল। কার্যভাৰ চম্ভালি থকা UPPL-ৰ

প্রভাৱ নাইকিয়া কৰি BPF দলে এই নির্বাচনত এক তাৎপর্যপূর্ণ উত্থান প্রদর্শন কৰিলে। ৪০ খন পৰিষদীয় আসনৰ ভিতৰত ২৮ খনতেই জয়লাভ কৰি BPF-এ একক সংখ্যাগৰিষ্ঠ দলৰ স্বীকৃতি লাভ কৰিলে। এই নির্বাচনত UPPL-এ মাত্র ৭ খন আৰু নির্দলীয়ভাৱে অথবা সীমিত বুজাবুজিৰে নির্বাচনত নমা বিজেপিয়ে ৫ খন আসন লাভ কৰিলে। এই বিজয়ে হাগ্রামা মহিলাৰীক পুনৰ বড়োলেণ্ড স্বায়ত্বশাসিত পৰিষদৰ মুখ্য কার্যবাহী সদস্য পদত বহাৰ সুযোগ দিলে। নির্বাচনৰ পাছতেই ৰাজনৈতিক মিত্রতাৰ নতুন ৰূপ দৃশ্যমান হ'ল আৰু BPF-এ পুনৰবাৰ ৰাষ্ট্রীয় গণতান্ত্রিক মিত্রজোঁট (NDA)ৰ সৈতে সন্ধি কৰিলে। ২০২৬ চনৰ আৰম্ভণিতে বিজেপি-এ এই মিত্রতাৰ কথা সদৰি কৰি আসন্ন ৰাজ্যিক বিধানসভা নির্বাচনৰ ৰণকৌশল হিচাপে BTR-ত BPF দলক জ্যেষ্ঠ আঞ্চলিক বন্ধুদলৰ স্বীকৃতি দিছে।

উপৰোক্ত আলোচনা বিশ্লেষণ কৰিলে ইয়াকে ক'ব পাৰি যে নৃগোষ্ঠীয় আৰু ভাষিক বিভিন্নতাৰে ভৰপূৰ ভাৰতবর্ষৰ দৰে দেশত, বিভিন্ন অঞ্চলত বিৰাজ কৰা অর্থনৈতিক অসমতা দূৰ কৰণৰ আৰু প্রত্যেক অঞ্চলৰ বাবে প্রাপ্য সম্পদৰ আবণ্টন আৰু বিতৰণ সুনিশ্চিত কৰাৰ প্রচেষ্টাৰ জৰিয়তে আঞ্চলিকতাবাদে জাতীয় উন্নয়নৰ লক্ষ্যসমূহ সাধন কৰাত এক অতি শক্তিশালী মাধ্যম হিচাপে পৰিগণিত হ'ব পাৰে। প্রকৃততে আঞ্চলিক ৰাজনৈতিক দলসমূহে বিভিন্ন অঞ্চলৰ স্থানীয় বিষয়সমূহ দাঙি ধৰি, কেন্দ্রীয় চৰকাৰক দেশৰ সকলো অঞ্চলৰে সমান উন্নয়ন ঘটাব পৰাকৈ আৰু বিভিন্ন সম্প্রদায়ৰ নৃগোষ্ঠীয় আৰু ভাষিক অস্তিত্ব সুৰক্ষিত কৰিব পৰাকৈ ৰাষ্ট্রীয় পৰিকল্পনা নির্ধাৰণ কৰাত সহায় কৰে। গতিকে এনেদৰে সমগ্র ৰাষ্ট্রৰ কল্যাণ সাধনৰ জৰিয়তে, আঞ্চলিকতাবাদে জাতীয় উন্নয়নৰ পথ প্রশস্ত কৰে।

W অগ্রগতি নিৰীক্ষণ

প্রশ্ন ৫ ঃ অসম গণ পৰিষদ গঠন হোৱাৰ সময়ত দলটোৰ প্রথমগৰাকী সভাপতি কোন হৈছিল?

.....

প্রশ্ন ৬ ঃ নতুন গণ পৰিষদ কোন চনত গঠন হৈছিল?

.....

প্রশ্ন ৭ ঃ BPPF-ৰ কোনটো গোটে BTC-ৰ প্রথমটো নির্বাচনত জয়ী হৈছিল?

.....

প্রশ্ন ৮ ঃ 2011 চনৰ অসম বিধান সভা নির্বাচনত BPF-এ কেইখন আসন লাভ কৰিছিল?

.....

2 ১৪.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- 1947 চনত ভাৰতে স্বাধীনতা লাভ কৰাৰ দিন ধৰি ভাৰতীয় ৰাজনীতিৰ সবাতোকৈ ক্ষমতাশালী শক্তি হিচাপে আঞ্চলিকতাবাদে সদায়েই গুৰুত্ব লাভ কৰি আহিছে। 1960ৰ দশকৰ পৰা আজিলৈকে ভাৰতৰ বিভিন্ন ৰাজ্যত শাসন ক্ষমতা লাভ কৰা বহুতো ৰাজনৈতিক দলৰে বুনিয়াদ হ'ল আঞ্চলিকতাবাদ।
- ভাৰতৰ ভাষিক, সাংস্কৃতিক, সাম্প্রদায়িক, জনগোষ্ঠীয়, ধর্মীয় আৰু আন বহুতো উপাদানৰ বৈচিত্র্যতাতে

আঞ্চলিকতাবাদৰ ঘাইশিপা প্রোথিত হৈ আছে। প্রায়ে আঞ্চলিক বঞ্চনাৰ অনুভৱে আঞ্চলিকতাবাদ বৃদ্ধিত ইন্ধন যোগায় আহিছে।

- অবৈধ বিদেশী নাগৰিকৰ সমস্যাটোৱে এটা সময়ত এক আবেগিক আৰু গণ আন্দোলনৰ মাত্রা লাভ কৰিলে। ইয়াৰ ফলতে ৰাজ্যখনৰ পৰা অবৈধ বিদেশী নাগৰিকক বহিষ্কাৰ কৰা 'অসম আন্দোলন'ৰ সূত্রপাত ঘটিছিল। এই আন্দোলন ছবছৰ কাল চলিছিল [1979–1985]। এই আন্দোলনৰ পিছত অসম গণ পৰিষদৰ গঠন, 1985 চনত অসম গণ পৰিষদৰ শাসন ক্ষমতা লাভ কৰা আৰু আন বহুতো এনে ঘটনাৰ পৰা অসমত আঞ্চলিকতাবাদৰ অস্তিত্ব প্রমাণিত হয়।
- অসম আন্দোলনৰ সময়ছোৱাত আঞ্চলিকতাবাদে ভিন্ন ৰূপ ধাৰণ কৰিলে তথা 'নৃগোষ্ঠীয়' ধাৰণাটোৰ লগত সম্পৃক্ত হৈ পৰে। নৃগোষ্ঠীয়তা আঞ্চলিকতাবাদৰ এটা গুৰুত্বপূর্ণ উপাদান। নৃগোষ্ঠীয়তা বুলিলে এটা জাতি বা সম্প্রদায়ক বুজা যায়। যি উমৈহতীয়া সাংস্কৃতিক পৰম্পৰাৰ অধীন। যি গোটসমূহে ব্যাপক অর্থত অসমীয়া জাতীয় পৰিচয় আৰু সংস্কৃতিৰ সুৰক্ষা আৰু ৰক্ষণাবেক্ষণৰ বাবে গণতান্ত্রিক যুঁজত অৱতীর্ণ হৈছিল, তেওঁলোকৰ এইটো বিশ্বাস আছিল যে দেশৰ বা ভাৰতীয় যুক্তৰাষ্ট্রীয় সাংবিধানিক ব্যৱস্থাৰ ভিতৰতে তেওঁলোকৰ আশা-আকাংক্ষাসমূহ পূৰণ কৰাৰ সামর্থ আছে। তেওঁলোকে প্রদেশখনৰ বাবে অধিক স্বায়ত্ব শাসনৰ দাবী জনাইছিল।
- 1980 চনৰ ডিচেম্বৰ মাহত অনুষ্ঠিত হোৱা নির্বাচনত অগপই মুঠ 126 খন আসনৰ 67 খনতেই জয়লাভ কৰিছিল। ইয়াৰ উপৰি দলটোৱে 14 খন লোকসভা আসনৰ 7খনত জয়লাভ কৰিছিল। প্রফুল্ল কুমাৰ মহন্ত মাত্র বত্রিশ বছৰ বয়সতে মুখ্যমন্ত্রী হৈ স্বাধীন ভাৰতৰ সর্বকালৰ কনিষ্ঠ মুখ্যমন্ত্রী হিচাপে পৰিগণিত হৈছিল।
- 1991 চনৰ মার্চ মাহত নেতৃত্বৰ মাজত দেখা দিয়া সংঘাতে দলৰ বিভাজন নিশ্চিত কৰি তোলে। ইয়াৰ ফলত ভৃগু কুমাৰ ফুকন, দীনেশ গোস্বামী, পুলকেশ বৰুৱা আদি নেতাসকলে দলৰ পৰা ওলাই গৈ 'নতুন অসম গণ পৰিষদ' নামৰ দলৰ জন্ম দিয়ে। অৱশ্যে শীঘ্রেই নতুনকৈ জন্ম হোৱা 'নতুন অসম গণ পৰিষদ' আৰু অগপৰ মাজৰ মনোমালিন্যৰ অৱসান ঘটিল আৰু 1992 চনত দুয়োটা দল একত্রিত হ'ল।
- 2000 চনত পুনৰ দলটো বিভাজনৰ সন্মুখীন হয়। 'তৃণমূল গণ পৰিষদ'ৰ সৃষ্টি কৰি অতুল বৰাই এক বিভাজন আনে। 2005 চনত অগপ আন এটা সংকটৰ মুখামুখি হয়, দলৰ অন্যতম মুখ্য সদস্য প্রাক্তন মুখ্যমন্ত্রী প্রফুল্ল কুমাৰ মহন্তক দলৰ পৰা বহিষ্কাৰ কৰা হয়। মহন্তই 'প্রগতিশীল অসম গণ পৰিষদ' নামৰ এটা নতুন দলৰ জন্ম দিয়ে।
- মুমূর্ষ অগপ দলৰ প্রাণ সঞ্জীৱিত কৰাৰ উদ্দেশ্যে 2008 চনৰ 14 অক্টোবৰৰ দিনা প্রগতিশীল অসম গণ পৰিষদ দলে অসম গণ পৰিষদৰ লগত পুনৰ লগ লাগে। অগপৰ মুখ্য কার্যালয় গুৱাহাটীৰ আমবাৰীত অৱস্থিত।
- 2003 চনৰ 10 ফেব্রুৱাৰী তাৰিখে বড়ো লিবাৰেশ্যন টাইগার্ছ ফ'র্চৰ (BLTF) সৈতে এখন নিষ্পত্তিৰ সন্ধিপত্র অথবা বড়ো চুক্তি স্বাক্ষৰিত হৈছিল। BLT নেতাসকলে সদৌ বড়ো ছাত্র সন্থাৰ (আবছু/ABSU) নেতাসকলৰ সৈতে মিলি বড়ো পীপলচ্ প্রগ্রেছিভ ফ্রণ্ট (BPPF) নামৰ ৰাজনৈতিক দলটো গঠন কৰিছিল। কিন্তু বড়োভূমি ক্ষেত্রীয় পৰিষদ (Bodoland Territorial Council বা BTC)ৰ নির্বাচনৰ প্রাক্-মুহূর্তত BPPF দলত ভাঙোনৰ সৃষ্টি হৈছিল। ইয়াৰ পৰিণামস্বৰূপে BPPF দলত দুটা গোটৰ সৃষ্টি হৈছিল— BPPF (হাগ্রামা) আৰু BPPF (ৰবিৰাম) গোট। BPPF (হাগ্রামা) গোটৰ নেতৃত্ব দিছিল অধুনালুপ্ত

BLTF সংগঠনৰ মুৰব্বী আৰু BTC-ৰ মধ্যৱর্তী পৰিষদখনৰ মুখ্য কার্যবাহী সদস্য হাগ্রামা মহিলাৰীয়ে। BPPF (ৰবিৰাম) গোটৰ নেতৃত্ব দিছিল প্রাক্তন আবছু সভাপতি ৰবিৰাম নার্জাৰীয়ে। ইয়াৰ পিছত BTC নির্বাচনত BPPF (হাগ্রামা) গোটে জয়লাভ কৰিছিল। অৱশ্যে BPPF (ৰবিৰাম) গোটে এখনো আসনত জয় লাভ কৰিব সক্ষম নহয়।

- BPPF (হাগ্রামা) গোটটোৱে পিছলৈ দলৰ নাম সলনি কৰি বড়োলেণ্ড পীপলচ্ ফ্রণ্ট (BPF) নামেৰে পৰিচিত হয়।

● হাগ্রামা মহিলাৰীৰ নেতৃত্বাধীন বড়োলেণ্ড পিপলচ্ ফ্র'ণ্ট (BPF) আৰু প্রমোদ বড়োৰ নেতৃত্বাধীন ইউনাইটেড পিপলচ্ পার্টি লিবাৰেল (UPPL) ৰ মাজত ক্ষমতা লাভৰ বাবে চলি থকা অঁৰিয়া অঁৰি হ'ল সাম্প্রতিক সময়ৰ বড়োলেণ্ড স্বায়ত্বশাসিত অঞ্চল (BTR) ৰ ৰাজনৈতিক পৰিস্থিতিৰ বিশেষত্ব।

✍ ১৪.৬ অধিক জানিবলৈ

ইংৰাজী গ্রন্থ ঃ

1) Das, Samir Kumar. (1997). *Regionalism in Power- The Case of Asom Gana Parishad*. New Delhi: Omsons Publications.
2) Kalita, Haren Chandra. (2011). *Regional Politics- The Role of Asom Gana Parishad*. Guwahati: E.B.H.Publishers.
3) Baruah, Sanjib. (2001). *India Against Itself.* New Delhi: Oxford University Press.
4) Kundu, Dilip Kumar, Triparthy, Ajay & Agarwal, Bhavna. (2010). *The State and the Bodo Movement in Assam*. APH Publishing Corporation.

অসমীয়া গ্রন্থ ঃ

1] কলিতা, ত. চি. [2006]। *অসমৰ সমাজ আৰু ৰাজনীতি।* গুৱাহাটী ঃ মৃত্যুঞ্জয় প্রকাশন।

✍ ১৪.৭ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ ৰাষ্ট্রীয় গণতান্ত্রিক মিত্রজোঁট
২ নং প্রশ্নৰ উত্তৰ ঃ 1979
৩ নং প্রশ্নৰ উত্তৰ ঃ আগষ্ট, 1985
৪ নং প্রশ্নৰ উত্তৰ ঃ শুদ্ধ
৫ নং প্রশ্নৰ উত্তৰ ঃ প্রফুল্ল কুমাৰ মহন্ত
৬ নং প্রশ্নৰ উত্তৰ ঃ 1991

৭ নং প্রশ্নৰ উত্তৰ ঃ BPPF (হাগ্রামা)

৮ নং প্রশ্নৰ উত্তৰ ঃ 12

M ১৪.৮ আৰ্হি প্রশ্ন

ক) বস্তুধর্মী প্রশ্ন

প্রশ্ন ১ঃ অসম গণ পৰিষদ কোন ঠাইত গঠিত হৈছিল?

প্রশ্ন ২ঃ 1985 চনত অনুষ্ঠিত হোৱা অসমৰ বিধান সভা নির্বাচনত অগপই কেইখন আসনত জয়লাভ কৰিছিল?

প্রশ্ন ৩ঃ BPPF-ৰ গোট দুটা উল্লেখ কৰক।

প্রশ্ন ৪ঃ BPPF (হাগ্রামা)ক পিছলৈ কি ৰূপে পৰিচিত হয়?

খ) চুটি প্রশ্ন (150 শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ঃ অসম গণ পৰিষদে প্রথমবাৰৰ বাবে চৰকাৰ গঠন কৰিবলৈ সমর্থ হোৱা যিকোনো চাৰিটা কাৰণ উল্লেখ কৰক।

প্রশ্ন ২ঃ BPPF দল গঠনৰ পটভূমিৰ বিষয়ে লিখক।

প্রশ্ন ৩ঃ ভাৰতত আঞ্চলিকতাবাদৰ বিকাশৰ বিষয়ে চমুকৈ লিখক।

প্রশ্ন ৪ঃ অসমত আঞ্চলিকতাবাদৰ বিষয়ে চমুকৈ লিখক।

গ) ৰচনাধর্মী প্রশ্ন (300–500 শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ঃ অসম গণ পৰিষদৰ ওপৰত এটা টোকা লিখক।

প্রশ্ন ২ঃ BPPF দলৰ ওপৰত এটা টোকা লিখক।

****

প্ৰসংগ পুথি

কিতাপ ঃ

1) Barpujari, H.K. (1993). *The Comprehensive History of Assam*, Vol V. Publication Board, Assam.

2) Baruah, Sanjib. (2001). *India Against Itself*. New Delhi: Oxford University Press.

3) Barua, S.L. (1995). *A Comprehensive History of Assam*. New Delhi: Munshiram Monoharlal Publishers.

4) Bhattacharya, Arun (1993). *Assam in Indian Independence*. New Delhi: Mittal Publications.

5) Bhaumik, Subir. *Insurgencies in India's Northeast : Conflict, Co-option & Change*. (July, 2007 East-West Center Washington Working Papers, No. 10)

5) Chandra, Bipan (2000). *India's Struggle for Independence, 1857-1947*. New Delhi: Penguin India.

6) Das, Samir Kumar. (1997). *Regionalism in Power- The Case of Asom Gana Parishad*. New Delhi: Omsons Publications.

7) Dutta, Anuradha & Bhuyan, Ratna (ed.) (2007). *Genesis of Conflict and Peace: Understanding North East India, Views and Reviews* (2 Vols.). New Delhi: Peace Studies, OKDISCD & Akansha Publishing House.

8) Dutta, K.N. (1998). *Landmarks of the freedom Struggle in Assam*. Guwahati: Lawyers Book Stall.

9) Gohain, Hiren. (1984). *Assam: The Burning Question*. Gauhati: Spectrum publications.

10) Goswami.C. (2008). *Nationalism in Assam*. New Delhi: Mittal publication.

11) Goswami, Sandhya. 1997. *Language Politics in Assam*. Delhi: Ajanta Publications.

12) Hussain, Monirul. 1994. *The Assam Movement - Class, Ideology and Identity*. Delhi: Manak Publications.

Websites:

1) http://www.agp.org

2) www.satp.org

কাকতৰ নাম ঃ **পাঠ্যবিষয়ৰ কোড (সাংকেতিক সংখ্যা) ঃ**

আভ্যন্তৰীণ গুণগত আশ্বাসন কেন্দ্ৰ (CIQA)

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

নগৰ কাৰ্যালয়, হাউছফেড কমপ্লেক্স, গুৱাহাটী-০৬

পাঠ্যবিষয় সন্দর্ভত শিক্ষার্থীৰ সঁহাৰি

প্ৰিয় শিক্ষার্থী,

ওপৰত উল্লেখ কৰা পাঠ্যবিষয়টোৰ সন্দর্ভত আপোনাৰ বহুমূলীয়া মতামত আৰু মন্তব্য বিচৰা হৈছে। আপোনাৰ সঁহাৰিয়ে আমাক ভৱিষ্যৎ স্ব-শিক্ষণ সামগ্ৰীবোৰৰ মান উন্নত কৰাত সহায় কৰিব। অনুগ্ৰহ কৰি তলৰ প্ৰবিৱৰণবোৰৰ বিপৰীতে আপোনাৰ মতামত উপযুক্তভাৱে প্ৰতিফলিত কৰা বিকল্পটোত চিন দিয়ক। মন্তব্যৰ সৈতে সম্পূৰ্ণ সঁহাৰি জনোৱাৰ পাছত পৃষ্ঠাটো ফালি তলৰ ঠিকনাত ডাকযোগে প্ৰেৰণ কৰে যেন।

সঞ্চালক,

আভ্যন্তৰীণ গুণগত আশ্বাসন কেন্দ্ৰ, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়
হাউছফেডকমপ্লেক্স, দিছপুৰ, গুৱাহাটী-06
ই-মেইল ঠিকনা ঃ ciqa@kkhsou.in

1) পাঠ্যবিষয়ৰ অন্তর্ভুক্ত অধ্যায়বোৰ পঢ়িবলৈ আপুনি আনুমানিকভাৱে কিমান ঘণ্টা ব্যয় কৰিলে ? | | | |

2) খণ্ডটো অধ্যয়ন কৰাৰ অন্তত তলৰ প্ৰবিৱৰণবোৰ সন্দর্ভত আপোনাৰ মতামত ব্যাখ্যা কৰক (✓ চিন দিয়ক)

ক্ৰমাংক	প্ৰবিৱৰণ	দৃঢ়ভাৱে একমত	একমত	একমতো নহয় অসন্মতো নহয়	অসন্মত	দৃঢ়ভাৱে অসন্মত
i)	পাঠ্যবিষয়ৰ স্ব-শিক্ষণ সামগ্ৰীবোৰে প্ৰতিটো অধ্যায়ৰ আৰম্ভণিতে ধাৰ্য কৰি লোৱা শিক্ষণ উদ্দেশ্যবোৰ পূৰণ কৰিব পাৰিছে					
ii)	স্ব-শিক্ষণ সামগ্ৰীত সন্নিৱিষ্ট অধ্যায়বোৰে মোৰ শৈক্ষিক প্ৰয়োজনীয়তা আৰু প্ৰত্যাশা পূৰণ কৰিব পাৰিছে					
iii)	অধ্যায় লেখকঃ লেখিকাসকলৰ পাঠ্যবিষয়ত সন্নিৱিষ্ট পাঠসমূহৰ উত্তম জ্ঞান আছে					
iv)	অধ্যায়বোৰত সন্নিৱিষ্ট পাঠবোৰৰ ভাষা আৰু বিষয়বস্তু মই সহজে বুজি পোৱা ধৰণে উপস্থাপন কৰা হৈছে					
v)	অধ্যায়বোৰত কার্যকলাপত ভাগ ল'ব পৰাকৈঃঅনুশীলনীত অংশগ্ৰহণ কৰিব পৰাকৈ পর্যাপ্ত সুযোগ আছে					
vi)	ধাৰণাবোৰ স্পষ্ট কৰিবলৈ পর্যাপ্ত চিত্ৰ (ৰেখাচিত্ৰ, তালিকা ইত্যাদি) সংলগ্ন কৰা হৈছে					
vii)	পাঠবোৰত সন্নিৱিষ্ট বিষয়বস্তুসমূহ চিত্তাকর্ষক, প্ৰাসংগিক আৰু শেহতীয়া তথ্যভিত্তিক					
viii)	'অগ্ৰগতি নিৰীক্ষণ' শিতানৰ প্ৰশ্নবোৰ যথেষ্ট উপযোগী					
ix)	'আৰ্হি প্ৰশ্ন' আৰু 'অগ্ৰগতিৰ খতিয়ান' শিতান দুটাই মোক যথেষ্ট উপকৃত কৰিছে					

অতিৰিক্ত মন্তব্য (অনুগ্ৰহ কৰি মুকলিমূৰীয়াকৈ মতামত আগবঢ়াওক) ঃ

1) আপোনাৰ মতে স্ব-শিক্ষণ সামগ্ৰীবোৰৰ কোনকেইটা দিশ সবাতোকৈ ফলপ্ৰসূ হৈছে ?

---

2) স্ব-শিক্ষণ সামগ্ৰীবোৰৰ সামগ্ৰিক গুণ উন্নত কৰিবলৈ কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ে কেনেধৰণৰ পৰিৱর্তনঃউন্নতি সাধন কৰিব পাৰে বুলি আপুনি ভাবে ?

প্ৰ-পত্ৰ পূৰাবলৈ সময় উলিওৱাৰ বাবে আপোনাক ধন্যবাদ জনালোঁ।